**নং ঃ ৭৯৩/২০২০**

# বিশ্ব মীন দিৱসত অসমে লাভ কৰা পুৰস্কাৰসমূহ আনুষ্ঠানিকভাৱে মুখ্যমন্ত্ৰীৰ হাতত অৰ্পণ কৰিলে মীন মন্ত্ৰী পৰিমল শুক্লবৈদ্যই

**দিছপুৰ, ২৬ নৱেম্বৰ ঃ** মীন বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্যই আজি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক তেওঁৰ চৰকাৰী বাসভৱনত সাক্ষাৎ কৰি চলিত বৰ্ষৰ বিশ্ব মীন দিৱসত অসমে অৰ্জন কৰিবলৈ সক্ষম হোৱা চাৰিটাকৈ বঁটাৰ ফলক আৰু মান পত্ৰসমূহ আনুষ্ঠানিকভাৱে মুখ্যমন্ত্ৰীৰ হাতত অৰ্পণ কৰে। ৰাষ্ট্ৰীয় স্তৰত লাভ কৰা এই সাফল্যৰ বাবে মীন বিভাগৰ মন্ত্ৰীগৰাকীৰ লগতে বিভাগটোৰ বিষয়া-কৰ্মচাৰীসকলক অভিনন্দন জ্ঞাপন কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে বিগত চাৰি বছৰত কৰা কঠোৰ পৰিশ্ৰমৰ ফলত বিভাগটোৱে আজি এই সফলতা আৰ্জিবলৈ সক্ষম হৈছে। ৰাজ্যখনক মীন উৎপাদনৰ ক্ষেত্ৰত দেশৰ ভিতৰতে অগ্ৰণী ৰাজ্য হিচাপে প্ৰতিষ্ঠা কৰাৰ বাবে আধুনিক প্ৰযুক্তি আৰু কৌশল প্ৰয়োগেৰে অনাগত দিনসমূহত অধিক সক্ৰিয় ভূমিকা গ্ৰহণ কৰিবলৈও তেওঁ মীন বিভাগৰ বিষয়া-কৰ্মচাৰীসকলক আহ্বান জনায়।

বৈঠকত মীন বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্যই বিগত দিনসমূহত ৰাজ্যৰ মীন বিভাগে হাতত লোৱা বিভিন্ন কাম-কাজ আৰু এই দিশত লাভ কৰা সফলতাসমূহৰ বিষয়ে মুখ্যমন্ত্ৰীক অৱগত কৰে। তেওঁ কয় যে সম্প্ৰতি ৰাজ্যখনে বছৰি অভিলেখ সংখ্যক ৩.৭৩ লাখ মেট্ৰিক টন মাছ উৎপাদন কৰিবলৈ সক্ষম হৈছে। মৎস্য উৎপাদনৰ দিশত সম্প্ৰতি ৰাজ্যখন প্ৰায় আত্মনিৰ্ভৰশীল হৈ পৰাৰ কথাও তেওঁ মুখ্যমন্ত্ৰীক অৱগত কৰে।

এই কাৰ্যসূচীত মীন বিভাগৰ আয়ুক্ত সচিব ৰাকেশ কুমাৰৰ লগতে বিভাগটোৰ অন্যান্য শীৰ্ষ বিষয়াসকলো উপস্থিত আছিল।

উল্লেখযোগ্য যে মৎস্যখণ্ডত দেখুওৱা উল্লেখনীয় সফলতাৰ স্বীকৃতি হিচাপে নতুন দিল্লীত অলপতে অনুষ্ঠিত বিশ্ব মীন দিৱসত অসমে চাৰিটাকৈ পুৰস্কাৰ লাভ কৰিবলৈ সমৰ্থ হৈছে। মৎস্যপালনত অসমে শ্ৰেষ্ঠ ৰাজ্যৰ সন্মান লাভ কৰাৰ লগতে শ্ৰেষ্ঠ জিলা, শ্ৰেষ্ঠ অৰ্ধ-চৰকাৰী সংস্থা আৰু শ্ৰেষ্ঠ মৎস্যপালক শিতানতো পুৰস্কৃত হৈছে অসম। মীন, দুগ্ধ আৰু পশুপালন বিভাগৰ কেন্দ্ৰীয় মন্ত্ৰী প্ৰতাপ চন্দ্ৰ সাৰাংগীয়ে আনুষ্ঠানিকভাৱে এই পুৰস্কাৰসমূহ প্ৰদান কৰে। শ্ৰেষ্ঠ ৰাজ্যৰ পুৰস্কাৰত আছিল নগদ ১০ লাখ টকা, প্ৰমাণপত্ৰ আৰু স্মাৰক। একেদৰে শ্ৰেষ্ঠ জিলা আৰু শ্ৰেষ্ঠ অৰ্ধ চৰকাৰী সংস্থাৰ পুৰস্কাৰৰ ধনৰাশি আছিল ক্ৰমে নগদ ৩ লাখ টকা আৰু ৫ লাখ টকা। উল্লেখ্য যে, ৰাষ্ট্ৰীয় পৰ্যায়ত এয়া হৈছে অসমৰ মীন বিভাগৰ এক উল্লেখনীয় সফলতা।

**প্ৰঃকুঃবঃ**
**২৬/১১/২০২০**